# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## Headline

১।	আজিৰ পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন। ২৭ খন বিধেয়ক অধিৱেশনত উত্থাপনৰ বাবে তালিকাভুক্ত।

২।	জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগৰ সন্মুখত সাক্ষ্য প্ৰদানৰ সময়সীমা ১২ ডিচেম্বৰলৈ বৃদ্ধি।

৩।	সমাগত বিধানসভা নিৰ্বাচনত বিজেপি আৰু অগপই মিত্ৰতাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত প্ৰাৰ্থী দিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৪।	গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক  ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ পঞ্চম দিনা আজি দুখন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন।

**আৰু**

৫।	গুৱাহাটী টেষ্টত ভাৰত সংকটত। তৃতীয় দিনৰ সামৰণিত দ্বিতীয় ইনিংছত দক্ষিণ আফ্ৰিকাৰ সামগ্ৰিকভাৱে ৩১৪ ৰানৰ অগ্ৰগতি।

০০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হৈছে। চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা অনুসৰি এইবাৰৰ অধিৱেশনত ২৭ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কিছু সময়ৰ পাছতে আজি বিগত অধিৱেশনৰ পাছত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ

গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগৰ সন্মুখত সাক্ষ্য প্ৰদানৰ সময়সীমা ১২ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে। শিল্পীগৰাকীৰ সৈতে জড়িত ব্যক্তি, প্ৰতিষ্ঠানৰ সদস্য আদিয়ে ১২ ডিচেম্বৰলৈকে তথ্য বা শপতনামা প্ৰদান কৰিব পাৰিব। ইয়াৰ পূৰ্বে এই আয়োগত তথ্য দাখিলৰ সময়সীমা ২১ নৱেম্বৰলৈকে নিৰ্ধাৰণ কৰা হৈছিল। ২১ নৱেম্বৰ পৰ্যন্ত আয়োগৰ সন্মুখত ৩৯ খন শপতনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে ন্যায়াধীশ শইকীয়াই তিনি নৱেম্বৰত আনুষ্ঠানিকভাৱে আয়োগৰ কাম আৰম্ভ কৰিছে। ৰাজ্য চৰকাৰে যোৱা চাৰি অক্টোবৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা তদন্তৰ পৰিপ্ৰেক্ষিতত এই আয়োগ গঠনৰ সিদ্ধান্ত লৈছে। এই আয়োগে তদন্ত আইন ১৯৫২ৰ অধীনত শিল্পীগৰাকীয়ে মৃত্যুৰ পূৰ্বৰ আৰু পৰৱৰ্তীসময়ৰ ঘটনাৰাজী বিশ্লেষণৰ বাবে ইয়াৰ সৈতে জড়িত তথ্যসমূহ গ্ৰহণ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ আঁৰত কোনো ষড়যন্ত্ৰ, অৱহেলা নাইবা অপ্ৰীতিকৰ ঘটনা জড়িত আছে নেকি এই বিষয়েও তথ্য লোৱা হৈছে। সময়সীমা বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত ১২ ডিচেম্বৰৰ পাছতহে আয়োগে ইয়াৰ প্ৰতিবেদন দাখিল কৰিব।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনত বিজেপি আৰু অগপই মিত্ৰতাৰে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত প্ৰাৰ্থী দিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰঙিয়াত প্ৰকাশ কৰে। ইয়াৰে ২২ টা সমষ্টিত জনগাঁঠনিগত কাৰণত তেওঁলোক জয়ী হোৱাৰ সম্ভাৱনা ক্ষীণ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কালি ৰঙিয়াত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। ৰাইজে ভালপোৱা প্ৰাৰ্থীক প্ৰাৰ্থীত্ব দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

অগপৰ নেতৃবৰ্গৰ সৈতে এই সন্দৰ্ভত আলোচনা চলি থকা বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই প্ৰসংগতে ৰঙিয়া সমষ্টিটোত অগপৰ প্ৰাৰ্থী দিয়া নহয় বুলিও তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত কালি বলিউডৰ যশস্বী অভিনেতা ধৰ্মেন্দ্ৰৰ প্ৰয়ানত শ্ৰদ্ধা নিবেদন কৰা হয়। এই মহোৎসৱত অভিনেতাগৰাকীক স্মৰণৰ বাবে বহুলভাৱে জনপ্ৰিয় **শ্বোলে** চলচ্চিত্ৰত অভিনেতা গৰাকীয়ে অমিতাভ বচ্চনৰ সৈতে ব্যৱহাৰ কৰা জয়-বিৰু শীৰ্ষক মটৰ চাইকেলখন প্ৰদৰ্শন কৰা হয়।

মহোৎসৱৰ পঞ্চম দিনা আজি দুখন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। কাহিনী চিত্ৰশাখাত নিৰ্বাচিত শংশাক সমীৰ পৰিচালিত ভাইমনদা আৰু অ-কাহিনী শাখাত নম্ৰতা দত্ত পৰিচালিত পত্ৰলেখা ছবিখন প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ সন্দৰ্ভত গোৱাৰ পৰা এয়া চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ বিশেষ প্ৰতিবেদন –

বাইট

এছিয়াৰ অন্যতম পুৰণি আৰু সন্মানীয় এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীসকলৰ উপস্থিতি দেখা গৈছে। এইবাৰৰ মহোৎসৱত জাপানক বিশেষ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে মৰ্যাদা দিয়া হৈছে। তদুপৰি স্পেইন, সহযোগী ৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াক মূল আকৰ্ষণ হিচাপে ৰখা হৈছে। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০

সদৌ অসম মটক সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কালি ডিব্ৰুগড় জিলাৰ বকপাৰাত অনুষ্ঠিত হয়। এই সন্মিলনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মটক জনগোষ্ঠীৰ অৱদান অপৰিসীম বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**বাইট (সৰ্বানন্দ সোণোৱাল)**

প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানত মটক জনগোষ্ঠীৰ কেইবাগৰাকীও নেতা আৰু ভালেসংখ্যক লোক উপস্থিত থাকে।

মন্ত্ৰীগৰাকী কালি ডিব্ৰুগড়ৰ নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ত অধ্যাপিকা জ্যোতি বৰগোহাঁইৰ **জ্যোতিস্নাতা** শীৰ্ষক গ্ৰন্থখনৰ উন্মোচনী সভাত উপস্থিত থাকে। গ্ৰন্থখন উন্মোচন কৰি পঢ়ুৱৈৰ মাজত গ্ৰন্থখনে সমাদৰ লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। কালি লাচিত দিৱসৰ প্ৰাসংগিকতা দোহাৰি শ্ৰীসোণোৱালে কয়, যে একাগ্ৰতা, দৃঢ়তা, মনোবল, সাহসিকতা আৰু দেশপ্ৰেমৰ অনুভূতিৰে নিজক গঢ়িবলৈ হ'লে সকলোৱে লাচিতৰ আদৰ্শৰে উদ্বুদ্ধ হ'ব লাগিব। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি জীৱনত সফলতা অৰ্জনৰ বাবে কোনো চমু পথ নাই বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

অসম মন্ত্ৰীসভাই ভৈয়ামৰ কাৰ্বিসকলৰ বাবে এখন উন্নয়ন পৰিষদ গঠন কৰিবলৈ লোৱা প্ৰস্তাৱক কাৰ্বি আংলং জিলাৰ ছটা প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ নেতৃবৰ্গই আদৰণি জনাইছে। কালি ডিফুত এখন সংবাদমেলত এই নেতাসকলে অসম চৰকাৰৰ এই সিদ্ধান্তৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে লগতে শান্তি চুক্তিৰ নিৰ্দিষ্ট দফা অনুসৰি ভৈয়ামৰ কাৰ্বিসকলক ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰাৰ দাবীও শীঘ্ৰে পূৰণ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁলোকে কয়, যে ছটা বিদ্ৰোহী সংগঠনৰ সৈতে হোৱা শান্তি চুক্তিৰ ৮০ শতাংশ ইতিমধ্যে পূৰণ হৈছে আৰু ২০ শতাংশ পৰৱৰ্তী চৰকাৰ গঠন হোৱাৰ পূৰ্বে পূৰণ হ'ব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক

বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

ৰাজ্যৰ কমেও ৭ খন জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে ব্যাপক ৰূপ ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে জিলা কেইখনত গাহৰী সৰবৰাহ আৰু ক্ৰয় বিক্ৰী নিষিদ্ধ কৰাৰ লগতে সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। বিশ্বনাথ জিলাৰ পশু পালন আৰু পশু চিকিৎসা বিভাগ তথা বিশ্বনাথ জিলা প্ৰশাসনে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। বিশ্বনাথ উন্নয়ন খণ্ডৰ অধীনৰ উত্তৰ মৰল গাওঁ এই ৰোগৰ সংক্ৰমনৰ কেন্দ্ৰ হিচাপে চিনাক্ত হোৱাৰ পাছতে সকলো গাহৰী পালকক সতৰ্ক কৰি দিয়া হৈছে। উত্তৰ মৰল গাওঁৰ নিৰ্দিষ্ট গাহৰী পামখনক কেন্দ্ৰ  হিচাপে লৈ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাসমূহক সংক্ৰমিত এলেকা আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাসমূহক পৰ্যাবেক্ষণ এলেকা হিচাপে চিহ্নিত কৰা হৈছে। এই নিৰ্দেশ পৰৱৰ্তী ৩০ দিন অথবা পুনৰ নিৰ্দেশনা জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্যত চলিত বছৰৰ মাৰ্চৰ পৰা এই পৰ্যন্ত বিভাগীয়ভাৱে প্ৰায় ১৬ হাজাৰ গাহৰি নিধন কৰা হৈছে। পশুপালন বিভাগে এই গাহৰি পালকসকলক ক্ষতিপূৰণ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৬ কোটি টকা বিচাৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা কৰি প্ৰকৃত জনজাতিসকলৰ সাংবিধানিক সুৰক্ষাৰ দাবীত কালি শিৱসাগৰ জিলাৰ দিচাংমুখত টি এম পি কে, এম এম কে আৰু টি এম এম কে-ৰ দিচাংমুখ, শিৱসাগৰ নগৰ, দিখৌমুখ আৰু কৈৱৰ্ত দলনী আঞ্চলিক সমিতিৰ উদ্যোগত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

প্ৰতিবাদকাৰীসকলে কালি সন্ধিয়া দিচাংমুখৰ প্ৰয়াত ছাত্ৰনেতা অনিল পাংগিং সোঁৱৰণী ভৱনৰ পৰা জোঁৰ সমদল কৰি দিচাংমুখ খেলপথাৰত সমবেত হৈ জনজাতি সকলৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীত বিভিন্ন শ্ল'গানেৰে চৰকাৰৰ প্ৰতি আহ্বান জনায়। ৫ শতাধিক লোকে অংশগ্ৰহণ কৰা এই জোঁৰ সমদল কাৰ্যসূচীত মিচিং জনজাতিৰ কেইবাগৰাকী স্থানীয় নেতায়ো ভাগ লয়। এই কাৰ্যসূচীৰ পূৰ্বে শিৱসাগৰ জিলা প্ৰশাসনৰ আহ্বানত মিচিং জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বৰ মাজত এখন সৌহাৰ্দপূৰ্ণ আলোচনাও অনুষ্ঠিত হয়।

০০০০০০

গুৱাহাটী টেষ্টত দক্ষিণ আফ্ৰিকাৰ সন্মুখত ভাৰতীয় দলটো বিপৰ্যয়ৰ সন্মুখীন হৈছে। গুৱাহাটীৰ বৰ্ষাপাৰাত চলি থকা দুখনীয়া টেষ্ট শৃংখলাটোৰ দ্বিতীয় তথা অন্তিম খেলখনৰ কালি তৃতীয় দিনা ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই শোচনীয়ভাৱে প্ৰথম ইনিংছৰ সামৰণি মাৰে। কালি ৯ ৰানৰ পৰা খেল আৰম্ভ কৰা ভাৰতক্তকৈ আলহী দলটোৱে প্ৰথম ইনিংছত ২৮৮ ৰানৰ বৃহৎ ব্যৱধানেৰে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰে। সন্ধিয়া তৃতীয় দিনৰ সামৰণিলৈকে আলহী দল দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছৰ খেলত ২৬ ৰানত এটাও উইকেট নেহেৰুৱাকৈ ৩১৪ ৰানৰ অগ্ৰগতিৰে খেলি আছে।

০০০০০০

# News Paper REV

অসম বিধানসভাৰ শীতকালীন অধিৱেশন, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ শপতগ্ৰহণ, বলিউদৰ কিংবদন্তী অভিনেতা ধৰ্মেন্দ্ৰৰ দেহাৱসান আদি ভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত আছু আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মাজত অনুষ্ঠিত বৈঠক সন্দৰ্ভত দি আসাম ট্ৰিবিউন কাকতে বাতৰি প্ৰকাশ কৰিছে।

আজি আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ নেলীৰ নৰসংহাৰৰ ৰহস্য উন্মোচন সন্দৰ্ভত দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেটা বাতৰি প্ৰকাশ কৰি আমাৰ অসম কাকতৰ শিৰোনাম **বিধানসভাত নেলীৰ ভূত**।

ছোৱাইন ফিভাৰে ৰাজ্যৰ গাহৰি পালকসকলৰ জীৱনলৈ অমানিশা কঢ়িয়াই অনাৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত এজনীয়া তদন্ত আয়োগে সাক্ষ্যৰ দিন বৃদ্ধি কৰাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

চৰকাৰে খিলঞ্জীয়াৰ ভূমি কাঢ়ি পলাশবাৰীত ছেটেলাইট টাউশ্বিপ নিৰ্মাণ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰোধিতা কৰি কালি স্থানীয় ৰাইজে প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ।

ৰাজ্যৰ কৃষি খণ্ডত যুগান্তকাৰী অধ্যায়ৰ সূচনা হিচাপে ইজলাইলী প্ৰযুক্তিৰে উদ্যান শস্যৰ উৎপাদনত গুৰুত্ব দিয়া হ'ব। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

ৰাজধানী দিল্লীত প্ৰদূষণে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। কালি ইণ্ডিয়া গে'টত দিল্লী বাসীয়ে প্ৰবলৰূপত প্ৰদূষণ বিৰোধী প্ৰতিবাদ সাব্যস্ত কৰা এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

আত্মনিৰ্ভৰ অসম গঠনত মটক সম্প্ৰদায়ে বৰঙণি আগবঢ়োৱা উচিত বুলি কালি নেন্দৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বক্তব্যৰে অসীময়া খবৰ কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল, অসম আৰু নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া বৰষুণ আৰু মেঘালয়, মণিপুৰ,মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**